# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2026
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। সংসদৰ দুয়োখন সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

২। বিত্ত মন্ত্ৰালয়ে অসম, অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিত অনুমোদন জনাইছে।

৩। নতুন দিল্লীত আজি দেশৰ প্ৰতিৰক্ষা বাহিনীৰ তিনিটা শাখাৰ ভৱিষ্যমুখী যুদ্ধকালীন প্ৰস্তুতি পাঠ্যক্ৰম আৰম্ভ হৈছে।

৪। দেশত ৭ লাখৰো অধিক ছাত্ৰীক কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত নামভৰ্তি কৰোৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

*আৰু*

৩। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ কাইলৈ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত হ'ব।

০০০০০০০০০

সংসদৰ দুয়োখন সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সাংসদ সৰ্বানন্দ সোণোৱালে লোকসভাত এই প্ৰস্তাৱ উত্থাপন কৰি ৰাষ্ট্ৰপতিৰ ভাষণক প্ৰনিধান যোগ্য বুলি অভিহিত কৰাৰ লগতে এই ভাষণে দেশৰ ভৱিষ্যৎ সন্দৰ্ভত উৎসাহজনকভাৱে আলোকপাত কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই ভাষণে চৰকাৰৰ সামাজিক ন্যায়ৰ দৃষ্টিভংগী, সৰ্বাত্মক বিকাশ আৰু বিকশিত ভাৰতৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। শ্ৰীসোণোৱালে কয়, যে ২০১৪ চনত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা দেশ দ্ৰুত বিকাশ আৰু সৰ্বাত্মাক প্ৰগতিৰ দিশে অগ্ৰসৰ হৈছে। সম্প্ৰতি ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ যোজনাৰ জৰিয়তে হিতাধিকাৰীসকলৰ একাউণ্টত ৪৪ লাখ টকা হস্তান্তৰ কৰা হৈছে। চৰকাৰৰ কল্যাণমূলক আঁচনিৰ পৰিপ্ৰেক্ষিতত ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইয়াৰ আগেয়ে সংসদ ভৱন চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে এই আলোচনাৰ বাবে প্ৰায় ১৮ ঘণ্টা সময় দিয়া হৈছে আৰু বিজেপিৰ ৪-৫ গৰাকী সাংসদে এই আলোচনাত অংশ ল'ব।

০০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি লোকসভাত উত্থাপন কৰা ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত উৎপাদন, আন্তঃগাথঁনি আৰু কৰ্মসংস্থাপন সৃষ্টি খণ্ডত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি এই বাজেটত কৰ আৰু সীমা শুল্ক ব্যৱস্থাৰ সৰলীকৰণৰ প্ৰয়াস কৰা হৈছে। সদনত একেৰাহে নৱম বাৰৰ বাবে দাখিল কৰা বাজেটত বিত্ত মন্ত্ৰীগৰাকীয়ে আন্তঃগাঁথনিমূলক প্ৰকল্প, দেশৰ যুৱ সম্প্ৰদায়ৰ দক্ষতা বৃদ্ধি,

বৈদ্যুতিন তথা ছেমিকণ্ডাক্টৰ ক্ষেত্ৰৰ সামৰ্থ্য বৃদ্ধি আদিৰ দৰে বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি গোলকীয় ক্ষেত্ৰৰ অনিশ্চয়তাৰ মাজতে দেশত দীৰ্ঘস্থায়ী বিকাশৰ উদ্দেশ্যে বহুমুখী কৌশল গ্ৰহণৰ প্ৰয়াসৰ প্ৰতিফলন ঘটাইছে। তদুপৰি এই বাজেটত কৰদাতা আৰু আমদানিকাৰীসকলৰ স্বাৰ্থৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বিত্ত মন্ত্ৰী শ্ৰীমতী সীতাৰমনে কেন্দ্ৰীয় বাজেটৰ জৰিয়তে চৰকাৰে অৰ্থনৈতিক বিকাশৰ ধাৰা অব্যাহত ৰখাৰ পথ নিৰ্ণয় কৰা বুলি প্ৰকাশ কৰিছে। চৰকাৰে উৎপাদনশীলতা আৰু নিয়োগৰ সুযোগ বৃদ্ধিৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে আন্তঃগাঁথনিমূলক সংস্কাৰৰ পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিব বিচাৰিছে বুলি উল্লেখ কৰি কালি এখন সংবাদমেলত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে এইবেলি বাজেটত সৰ্বমুঠ ১২ দশমিক ২ লাখ কোটি টকা মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে। এই পৰিমাণ বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক বুলি তেওঁ সদৰি কৰে। তেওঁ কয়, যে চৰকাৰে ২০২৬-২৭ বৰ্ষত বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ চাৰি দশমিক তিনি শতাংশ হ'ব বুলি আশা কৰিছে।

বাজেটত উত্তৰ পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। অসমকে ধৰি উত্তৰ পূবৰ ৰাজ্যসমূহত যাতায়াত অধিক সুচল কৰাৰ বাবে বাজেটত ৪ হাজাৰ ই-বাছৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। এই আঁচনি অসমৰ লগতে অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী হ'ব। বিত্ত মন্ত্ৰালয়ে লগতে অসম, অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিতো অনুমোদন জনাইছে। চৰকাৰে ৰাঁচী আৰু তেজপুৰৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য বিশ্ববিদ্যালয়ক উন্নীত কৰিব।

বাজেটত উল্লেখ থকা অনুসৰি চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন বলবৎ হ'ব। একেদৰে বাজেটত ১০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰগতি পুঁজি মুকলি কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। আত্মনিৰ্ভৰ ভাৰত পুঁজিত ২ হাজাৰ কোটি টকা অতিৰিক্তভাৱে যোগ দিয়া হ'ব। বিত্ত মন্ত্ৰীগৰাকীয়ে উচ্চ শিক্ষা খণ্ডৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নতুন শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়, ছাত্ৰী নিবাস আদি স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

বাজেটত স্বাস্থ্যখণ্ডৰ বাবে ১ দশমিক ৬ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ২০২৫২৬ বিত্তীয় বৰ্ষত কৈ এইবেলি ১০ শতাংশ অধিক ধন মঞ্জুৰ কৰা হৈছে। এইবেলি স্বাস্থ্য, গৱেষণা বিভাগৰ বাবে ৪ দশমিক ৮ হাজাৰ কোটি টকা আৱণ্টন কৰা হৈছে। কেন্দ্ৰীয় বাজেটত সাৰ বিভাগৰ বাবে ১ দশমিক ৭-১ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। একেদৰে বাজেটত সকলো মন্ত্ৰালয়ৰ ভিতৰত প্ৰতিৰক্ষা সেৱাৰ বাবে অধিক ধন মঞ্জুৰ কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ দশমিক ৮-৫ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰালয়লৈ দিয়া মুঠ ধনৰ আৱণ্টনৰ ভিতৰত ২৭ দশমিক ৯-৫ শতাংশ মূলধনী ব্যয়, ২০ দশমিক ১-৭ শতাংশ জীৱিকা আৰু পৰিচালনাৰ প্ৰস্তুতিৰ বাবে ৰাজহ ব্যয় আৰু ২১ দশমিক ৮-৪ শতাংশ প্ৰতিৰক্ষা পেঞ্চন ব্যয় ধাৰ্য্য কৰা হৈছে।

০০০০০০০০০

নতুন দিল্লীত আজি দেশৰ প্ৰতিৰক্ষা বাহিনীৰ তিনিটা শাখাৰ ভৱিষ্যমুখী যুদ্ধকালীন প্ৰস্তুতি পাঠ্যক্ৰম আৰম্ভ হৈছে। ৩ সপ্তাহ জোৰা এই পাঠ্যক্ৰমৰ জৰিয়তে বাহিনী কেইটাৰ বিষয়াসকলক ভৱিষ্যতৰ সম্ভাব্য যুদ্ধ সদৃশ পৰিস্থিতি আৰু প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ সাজু কৰি তোলা হ'ব। আধুনিক যুদ্ধৰ জটিল প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ প্ৰযুক্তিগত আৰু কাৰিকৰী বিষয়সমূহৰ সন্দৰ্ভতো তেওঁলোকক অৱগত কৰোৱা হ'ব। এই প্ৰশিক্ষণত সামৰিক অভিযানৰ শেহতীয়া বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব। সংহত প্ৰতিৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ে যুটীয়া যুদ্ধকালীন অধ্যয়ন কেন্দ্ৰৰ সহযোগত এই পাঠ্যক্ৰমৰ আয়োজন কৰিছে।

সাম্প্ৰতিক সময়ত সম্ভাব্য যিকোনো যুদ্ধত প্ৰযুক্তিয়ে বিস্তাৰ কৰিব পৰা প্ৰভাৱ সন্দৰ্ভত এই পাঠ্যক্ৰমত খৰচী মাৰি ব্যাখ্যা কৰা হ'ব। ইয়াৰ উপৰি ব্যৱহাৰিক প্ৰদৰ্শনৰ জৰিয়তে প্ৰযুক্তিৰ প্ৰয়োগ সন্দৰ্ভতো বিষয়াসকলক প্ৰশিক্ষণ দিয়া হ'ব। এই প্ৰশিক্ষণত প্ৰতিৰক্ষা বাহিনীৰ তিনিওটা শাখাৰ লগতে প্ৰতিৰক্ষা উদ্যোগ, ষ্টাৰ্ট আপ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগৰ প্ৰতিনিধিয়ে অংশ লৈছে। এই প্ৰশিক্ষণত প্ৰাক্তন সেনা বিষয়া, প্ৰাক্তন ৰাষ্ট্ৰদূত, উদ্যোগ বিশেষজ্ঞ আৰু শিক্ষাক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে দেশৰ নিৰাপত্তা প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিশ্লেষণ কৰিব।

০০০০০০০০০

দেশত ৭ লাখৰো অধিক ছাত্ৰীক কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত নামভৰ্তি কৰোৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই বিষয়ে প্ৰকাশ কৰি কয়, যে নামভৰ্তি কৰোৱা ছাত্ৰীসকলৰ ভিতৰত ২ লাখৰো অধিক ছাত্ৰী অনুসূচীত জাতিৰ আৰু ১ লাখ ৭৭ হাজাৰ ছাত্ৰী অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত। একেদৰে অন্যান্য পিছপৰা শ্ৰেণীৰ ২ লাখ ৬৪ হাজাৰ ছাত্ৰী আছে। উল্লেখযোগ্য যে, ২০০৪ চনৰ জুলাইত শুভাৰম্ভ কৰা কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আঁচনিৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে প্ৰাথমিক পৰ্যায়ত আৱাসিক বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ দ্বাৰা উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত পৰিয়ালৰ ছোৱালীসকলক নিশ্চিতভাৱে মান সম্পন্ন শিক্ষা প্ৰদানৰ লক্ষ্য লোৱা হৈছিল। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ অনুপাত পূৰ্বতকৈ বৃদ্ধি পাইছে আৰু এয়া শুভলক্ষণ। কেন্দ্ৰীয় চৰকাৰ কন্যা শিশুৰ সৱলীকৰণৰ বাবে তেওঁলোকক উপযুক্ত শিক্ষা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও মন্ত্ৰীগৰাকীয়ে কয়। শ্ৰীপ্ৰধানে কয়, যে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত দেশৰ প্ৰতিখন জিলাতে ছাত্ৰী নিৱাস স্থাপনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাব। তেওঁ এই ভ্ৰমণ কালত যুক্তৰাষ্ট্ৰৰ বিদেশ দপ্তৰৰ মন্ত্ৰী মাৰ্কো ৰুবীয়ৰ সৈতে খনিজ সম্পদ সম্পৰ্কীয় মন্ত্ৰী পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে এই বৈঠকত যোগান শৃংখলা অব্যাহত ৰখা, স্বচ্ছ শক্তি ৰূপান্তৰ আৰু খনিজ সম্পদৰ ক্ষেত্ৰত কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ বাবে আলোচনা কৰা হ'ব। ড° জয়শংকৰে এই ভ্ৰমণকালত আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ সৈতেও মত বিনিময় কৰিব।

০০০০০০০০০

প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী অনিল চৌহানৰ নেতৃত্বত এটা প্ৰতিৰক্ষা প্ৰতিনিধি দল চাৰিদিনীয়া ভ্ৰমণসূচীৰে আৰ্মেনিয়াত উপস্থিত হৈছে। এই ভ্ৰমণ কালত ভাৰত আৰু আৰ্মেনিয়াৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা বৃদ্ধি কৰাৰ বাবে প্ৰয়াস কৰা হ'ব। তদুপৰি দুয়ো দেশৰ পাৰস্পৰিক কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা দীৰ্ঘম্যাদী প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা বৃদ্ধিৰ বাবে আলোচনা কৰা হ'ব। ভাৰতৰ প্ৰতিনিধি দলটো আৰ্মেনিয়াত উপস্থিত হোৱাৰ লগে লগে আৰ্মেনিয়াস্থিত ভাৰতৰ ৰাষ্ট্ৰদূত নিলাক্ষী সাহা সিনহা আৰু সশস্ত্ৰ বাহিনীৰ উপ প্ৰধান শ্বাহনাজাৰিয়ানে ইয়েৰেভানত তেওঁলোকক আদৰণি জনায়।

০০০০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ কাইলৈ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ গ্ৰুপ বি পৰ্যায়ৰ অন্তিমখন খেলত কালি

ছাৰ্ভিচেছ্ দলে কেৰালাক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। এই জয়েৰে ছাৰ্ভিচেছে প্ৰতিযোগিতাত ৬ পইণ্ট লাভ কৰি গ্ৰুপ বিৰ কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। চিলাপথাৰত কাইলৈ পুৱা ৯ বজাত তামিলনাডু আৰু পাঞ্জাবৰ মাজত খেল অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত দ্বিতীয়খন খেলত অসম আৰু কেৰালা পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঢকুৱাখনাৰ বিষ্টুৰাম দলে খেলপথাৰত পুৱা ৯ বজাত ৰে'লৱে আৰু ৰাজস্থানৰ মাজত হ'বলগীয়া খেলৰ পাছত দিনৰ ২ বজাত বিগত বৰ্ষৰ চেম্পিয়ন পশ্চিমবংগৰ বিৰুদ্ধে ছাৰ্ভিচেছ্ অৱতীৰ্ণ হ'ব।

000000000

**সমাপ্ত**